## এভাৰেষ্টত সীমা

চীন দেশে এভাৰেষ্ট শৃংগটো সীমাৰে দুভাগ কৰাৰ পৰিকল্পনা কৰিছে। দেশখনৰ চৰকাৰী সংবাদ মাধ্যমত প্ৰকাশ পোৱা মতে, নেপালৰ পৰা আৰোহণৰ বাবে যাত্ৰা কৰা পৰ্বতাৰোহীসকলে যাতে চীনত কৰ'না ভাইৰাছ বিয়পাব নোৱাৰে, সেই উদ্দেশ্যেই এনে পদক্ষেপ গ্ৰহণ কৰিছে। তাৰ বাবে তিব্বতত থকা পৰ্বতাৰোহীৰ দল এটাক দায়িত্ব অৰ্পণ কৰি যাৱতীয় কামৰ বাবে মোতায়েন কৰাও হৈছে। চীন চৰকাৰৰ ভাষ্য হৈছে যে নেপালৰ পৰা এভাৰেষ্টত আৰোহণৰ চেষ্টা কৰা পৰ্বতাৰোহীসকল যদিহে চীনৰ পৰা অহা আৰোহীৰ সংস্পৰ্শলৈ আহে, তেন্তে তেওঁলোকৰ যোগেদি চীনত পুনৰ কৰ'না ভাইৰাছ বিয়পিব পাৰে। যোৱা বছৰ মহামাৰীৰ বাবে এভাৰেষ্টত আৰোহণ বন্ধ থকাৰ পাছত এইবাৰ নেপাল চৰকাৰে ৪০৮জন বিদেশী লোকক এভাৰেষ্টত আৰোহণৰ অনুমতি দিছে। তেওঁলোকে এভাৰেষ্টৰ দক্ষিণ দিশৰ পৰা আৰোহণৰ চেষ্টা কৰিব। সেয়ে চীনে দক্ষিণৰ পৰা যোৱা পৰ্বতাৰোহীয়ে যাতে উত্তৰে চীনৰ পৰা অহা পৰ্বতাৰোহীৰ সৈতে মিলি নাযায় তাৰ বাবে সীমা নিৰ্ধাৰণৰ সিদ্ধান্ত লৈছে। চীনে এইবাৰ ২১জন পৰ্বতাৰোহীক এভাৰেষ্ট আৰোহণৰ অনুমতি দিছে। চীনত কৰ'না ভাইৰাছ নিয়ন্ত্ৰিত হৈছে যদিও নেপালত এই ভাইৰাছে ভয়াৱহ ৰূপ লৈ থকাৰ পৰিপ্ৰেক্ষিততে চীনে এনে সিদ্ধান্ত গ্ৰহণ কৰিছে। অৱশ্যে যিহেতু এভাৰেষ্টৰ শীৰ্ষভাগ তেনেই ঠেক গতিকে তাক কেনেকৈ চীনে ভাগ কৰিব আৰু কি সঁজুলিৰে বিভাজনৰ চিহ্ন দিব, তাক লৈ সন্দেহৰ সৃষ্টি হৈছে। তদুপৰি যিহেতু পৰ্বতাৰোহীসকলে ডাঠ কাপোৰ-কানি, অক্সিজেন মাস্ক আদি পিন্ধি যাব, তেওঁলোকে তাত কৰ'না ভাইৰাছ বিয়পাব পাৰিবনে বুলিও একাংশ পৰ্বতাৰোহীয়ে প্ৰশ্ন কৰিছে।

## কৰ'নাই ঢুকি নোপোৱা এখন গাঁও

মহাৰাষ্ট্ৰৰ থানে আৰু নাছিক জিলাৰ সীমাত থকা জনজাতীয় বসতিপ্ৰধান কালভোন্দে নামৰ সৰু গাঁওখনে আশাৰ বতৰা দিছে। থানেৰ পৰা দূৰত্ব প্ৰায় ১০০ কিল'মিটাৰ এই গাঁওখনত তিনি জুনক ধৰি ৪২৫ দিনত এজনো কৰ'না ভাইৰাছত সংক্ৰমিত ব্যক্তি ওলোৱা নাই। যি সময়ত মহাৰাষ্ট্ৰত ৫৭ লাখ লোক এই ভাইৰাছত আক্ৰান্ত হৈছে, এক লাখৰো অধিক লোকৰ মৃত্যু ঘটিছে, তেনে সময়ত কালভোন্দে কিদৰে ভাইৰাছৰ সংক্ৰমণৰ পৰা ৰক্ষা পৰিল? প্ৰশ্নটোৰ উত্তৰত ক'ব পাৰি যে পৰম্পৰাগত শিক্ষা আৰু সাৱধানতাই গাঁওবাসীক ভাইৰাছৰ পৰা ৰক্ষা কৰিছে। ২০২০ চনৰ ২৪ মাৰ্চৰ মাজনিশাৰ পৰা দেশত লকডাউন ঘোষণা হোৱাৰ লগে লগে গাঁওবাসীয়ে বাহিৰৰ পৃথিৱীৰ লগত সম্পৰ্ক সম্পূৰ্ণ ছেদ কৰে। গাঁৱৰ বাহিৰত থকা লোকসকলক নিৰ্ধাৰিত নিয়মমতে কিছুদিন কঠোৰভাৱে আছুতীয়াকৈ ৰাখিহে ঘৰলৈ ওভতাৰ অনুমতি দিয়া হয়। গাঁৱলৈ সোমোৱা মূল পথটো প্ৰকাণ্ড প্ৰকাণ্ড শিল আৰু কাঠৰ কুন্দা পেলাই বন্ধ কৰা হয়। সাহায্য দিব খোজা সংগঠনবোৰক জনোৱা হয় যে গাঁৱৰ পঞ্চায়তৰ একাউণ্টত ধনখিনি দিলেই হ'ব, বস্তু-বাহানি দিব নালাগে। আনকি প্ৰথমে গাঁওবাসীয়ে চৰকাৰী গাড়ী-মটৰ আৰু বিষয়াকো গাঁৱত সোমাবলৈ অনুমতি দিয়া নাছিল। কিন্তু উপযুক্ত সাৱধানতা অৱলম্বনৰ পাছতহে তেওঁলোকক প্ৰয়োজন মতে গাঁৱত সোমোৱাৰ অনুমতি দিয়া হয়। গাঁৱত কোনো বৃদ্ধ-বৃদ্ধাৰ অসুখ-বিসুখ হ'লেও তেওঁলোকৰ চিকিৎসাকাৰ্য অতি সাৱধানতাৰে সম্পন্ন কৰা হয়। বহিৰ্বিশ্বৰ সৈতে যোগাযোগ বন্ধ হোৱাৰ পাছত এতিয়া গাঁওবাসীয়ে নিজৰ প্ৰয়োজনীয় খাদ্য নিজেই উৎপাদন কৰাত গুৰুত্ব দিছে। খেতি, বনৰীয়া ফলমূল, আলু-কচু আদিৰে পেট প্ৰৱৰ্তাইছে। পালিত গৰু-ম'হৰ পৰা গাখীৰ পাইছে। গাঁওখনৰ এনে পদক্ষেপক চৰকাৰীভাৱেও আদৰণি জনোৱা হৈছে। অৱশ্যে প্ৰয়োজনত গাঁওবাসীয়ে চৰকাৰী পক্ষৰ পৰাও সহায় লাভ কৰিছে বুলি পঞ্চায়তৰ বিষয়ববীয়াই প্ৰকাশ কৰিছে।

## মৌমাখিয়ে অংক জানে

অংক বুলিলেই বহুতে ভয় খায়। স্কুলীয়া ছাত্ৰ-ছাত্ৰীৰতো কথাই নাই, বহু ডাঙৰেও অংক বুলি ক'লে ঘামি উঠা দেখা যায়। পিছে শেহতীয়া এটা গৱেষণাত পোহৰলৈ আহিছে যে মৌমাখিৰো গণনা কৰাৰ ক্ষমতা আছে। এই গৱেষণা কৰিছে ব্ৰিটেইনৰ শ্বেফিল্ড বিশ্ববিদ্যালয়ে। গৱেষণাটোত গৱেষকসকলে একে আকাৰৰ বিভিন্ন কাৰ্ড তৈয়াৰ কৰি তাত সৰু সৰুকৈ ঘৰ আঁকি দিছিল। বৰ্গাকাৰ এই ঘৰবোৰৰ সংখ্যা সকলো ব'ৰ্ডতে একে নাছিল; কিছুমানত কম, কিছুমানত বেছি। এই ঘৰবোৰত মিঠাই জাতীয় বস্তু ৰাখি থৈ অধ্যয়নটো চলোৱা হৈছিল। মৌমাখিৰ সঘন আহ-যাহ থকা ঠাইত কাৰ্ড ব'ৰ্ডবোৰ থৈ চলোৱা অধ্যয়নত পোহৰলৈ আহে যে মৌমাখিবোৰে বেছিসংখ্যক ঘৰ অংকিত কাৰ্ড ব'ৰ্ডৰ দিশেহে আগবাঢ়ি আহে। অৰ্থাৎ সিহঁতে জানে যে যিখন ব'ৰ্ডত ঘৰ বেছি, তাতেই মিঠাৰ উৎসও বেছি। গৱেষণাৰ পাছত মৌমাখিয়ে অংকৰ ধাৰণা কৰিব পাৰে বুলিও গৱেষকসকলে সহমত প্ৰকাশ কৰে।

## ১৫০ বছৰ আয়ুস

কবিয়ে কৈছে—'মৰিতে চাহি না আমি সুন্দৰ ভুবনে'। পিছে মানুহে নিবিচাৰিলেও এদিন মৰণ আহি সকলোৰে কাষত উপস্থিত হয়হি। অৰ্থাৎ মানুহ অমৰ হ'ব পৰা নাই। অমৰত্ব নাপালেও কিন্তু মানুহে জীৱনৰ দৈৰ্ঘ্য বৃদ্ধি কৰিবলৈ অহৰহ চেষ্টা চলাই আছে। শেহতীয়াকৈ ছিংগাপুৰৰ 'গেৰো' নামৰ এটা জৈৱ প্ৰযুক্তি প্ৰতিষ্ঠানে চলোৱা গৱেষণাৰ ফল মতে বয়স বৃদ্ধিৰ প্ৰক্ৰিয়াটোৰ গতি কিছু কমাই দি মানুহৰ আয়ুস ১২০ৰ পৰা ১৫০ বছৰমানলৈ বৃদ্ধি কৰিব পৰা যায়। 'নেচাৰ কমিউনিকেশ্যন' পত্ৰিকাত প্ৰকাশিত গৱেষণাৰ ফল অনুসৰি মানুহৰ জীৱনটো সুকলমে চলাত তেজৰ গুৰুত্বপূৰ্ণ ভূমিকা আছে। কিন্তু অৱসাদগ্ৰস্ততাই তেজত বিৰূপ প্ৰভাৱ পেলায়। অৱসাদ আহে বয়সৰ পৰা। বয়সে অনা অৱসাদে তেজৰ ওপৰত বিৰূপ প্ৰভাৱ পেলায়। তেজৰ কোষৰ গঠন প্ৰক্ৰিয়া ক্ৰমে ক্ৰমে বাধাগ্ৰস্ত আৰু দুৰ্বল হৈ গৈ থাকে। টিম'থি ভি পিৰক'ভৰ নেতৃত্বত চলা অধ্যয়নত পোহৰলৈ অহা মতে বয়স বৃদ্ধি ৰোধ কৰা অসম্ভৱ যদিও বয়সৰ লগে লগে বাঢ়ি অহা তেজৰ বিভিন্ন বিকাৰবোৰৰ গতি কিন্তু মন্থৰ কৰিব পৰা যায়। সেয়া কৰিব পাৰিলে মানুহৰ বৃদ্ধত্ব কিছু বিলম্ব হ'ব আৰু তেনেদৰে কেৱল বিকাৰহীন তেজৰ বলতেই মানুহে ১২০ৰ পৰা ১৫০ বছৰ বয়সলৈকে জীয়াই থকা সম্ভৱ হ'ব। উল্লেখযোগ্য যে বিশ্বৰ ভিতৰত সৰ্বাধিক বয়সীয়া (তথ্যভিত্তিক) মানুহজন আছিল ফ্ৰান্সৰ ১২২ বছৰীয়া জ্যঁ ক্লিমেণ্ট। এতিয়া 'গেৰো'ত চলা গৱেষণা কাৰ্যকৰী আৰু পাৰ্শ্বপ্ৰতিক্ৰিয়াহীন হ'লে হয়তো মানুহৰ আয়ুস বৃদ্ধিৰ বাসনাও পূৰ্ণ হ'বগৈ পাৰে।

## আগ্নেয়গিৰিত ৰন্ধা খাদ্য

গুৱাটেমালাৰ পৰ্বত অঞ্চলত থকা পাকায়া নামৰ আগ্নেয়গিৰিটো যোৱা ফেব্ৰুৱাৰি মাহৰ পৰাই সক্ৰিয় হৈ আছে। তাৰ পৰা নিতৌ ওলাইছে উত্তপ্ত শিল, বৈ গৈছে তপ্ত লাভাৰ নদী। ওচৰৰ বাসিন্দাসকলে অনবৰতে সচেতন হৈ সময় কটাইছে। তাৰ মাজতে ডেভিড গাৰ্ছিয়া নামৰ ৩৪ বছৰীয়া মানুহজনে কৰিছে এটি ব্যতিক্ৰমী কাম। তেওঁ উত্তপ্ত লাভাৰ উষ্ণতাত সিজোৱা খাদ্যৰ এখন বিপণি আৰম্ভ কৰিছে আগ্নেয়গিৰিৰ ওচৰতে। আগ্নেয়গিৰি দৰ্শনৰ বাবে অহা পৰ্যটকে তেওঁৰ দোকানত কিনি খাইছে ১০০০ ডিগ্ৰি ছেলছিয়াছত সিজোৱা পিজ্জা। তাৰ নাম দিয়া হৈছে 'পাকায়া পিজ্জা'। এই খাদ্য প্ৰস্তুত কৰাৰ বাবে তেওঁ প্ৰস্তুত কৰি লৈছে ১০০০ ডিগ্ৰি উত্তাপ সহনক্ষম বিশেষ পাত্ৰ। সেই পাত্ৰটি তেওঁ বৈ থকা লাভাৰ ওপৰত থয় আৰু তাতেই প্ৰস্তুত কৰে বিভিন্ন ধৰণৰ পিজ্জা। দৰ্শনাৰ্থীসকলেও তেওঁৰ বিশেষ পিজ্জা বিলাহীৰ ছছ আৰু অন্য উপকৰণেৰে ভক্ষণ কৰি ক্ষুধা নিবাৰণ কৰে। এই ৰন্ধন কাৰ্যৰ বাবে অৱশ্যে ডেভিডে বিশেষ পোছাকো পৰিধান কৰি লয়।